**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। ৯ দিনৰ বিৰতিৰ মূৰত কাইলৈৰ পৰা দিছপুৰত অসম বিধানসভাৰ বাজেট অধিৱেশনৰ কাৰ্যক্ৰমণিকা।
২। কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেফু সংযোগী ৰে'ল পথৰ চূড়ান্ত জৰীপৰ কাম সম্পূৰ্ণ
৩। ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আৰম্ভ।
৪। লোকপ্ৰিয় বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত ৰাউণ্ডৰ খেল আজি আৰম্ভ। **আৰু**
৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

৯ দিনৰ বিৰতিৰ মূৰত অসম বিধানসভাৰ বাজেট অধিৱেশনৰ কাৰ্যক্ৰমণিকা কাইলৈৰ পৰা দিছপুৰত অনুষ্ঠিত হ'ব। কাইলৈৰ পৰা শুকুৰবাৰলৈ সদনৰ বৈঠকৰ সময়ছোৱাত কেইবাখনো বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ৰাজ্যখনৰ সাধাৰণ বাজেট উত্থাপন কৰিব। ১১ আৰু ১২ মাৰ্চত বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। ১৩ৰ পৰা ২০ মাৰ্চলৈ সদনৰ স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে বিধানসভাৰ কাম-কাজ স্থগিত থাকিব। ২১, ২৪ আৰু ২৫ মাৰ্চত পুনৰ সদনৰ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হ'ব আৰু ২৫ মাৰ্চত অসম বিধানসভাৰ এইবাৰৰ অধিৱেশন অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখা হ'ব। উল্লেখযোগ্য যে যোৱা ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰত প্ৰথম দিনৰ কাৰ্যসূচীত ৰাজ্যপালৰ ভাষণেৰে এই অধিৱেশন আৰম্ভ হৈছিল।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিধানসভা অধিৱেশন অনুষ্ঠিত হোৱা দিনত প্ৰতি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ মিনিটৰ বাবে **বিধানসভাত আজিৰ দিনটো** শীৰ্ষক প্ৰচাৰ কৰিব। ইয়াৰ উপৰি ১০ মাৰ্চত বিত্তমন্ত্ৰীয়ে সদনত দিয়া বাজেট ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ সম্প্ৰচাৰ কৰিব।

০০০০০০

অসমে ২০৩০ চনৰ ভিতৰত ১০ লাখ কোটি টকাৰ অৰ্থনীতিৰ ৰাজ্য হিচাপে পৰিগণিত হোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ ২০২৫ বৰ্ষৰ বাজেট সন্দৰ্ভত লোকসেৱা ভৱনত বিত্তমন্ত্ৰী অজন্ত নেওগসহ বিভাগটোৰ শীৰ্ষ বিষয়াবৰ্গৰ সৈতে কালি হোৱা আলোচনাত এইদৰে প্ৰকাশ কৰে।

তেওঁ কয়, যে অসমে এই বছৰ ৬ লাখ কোটি টকাৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ আহৰণ কৰাৰ বাবে নিষ্ঠাৰে কাম কৰি আছে আৰু অৰ্থনীতিক আগুৱাই নিয়াৰ পৰিকল্পনা প্ৰস্তুত কৰি উলিয়াইছে। এইবাৰৰ বাজেটত নিৰ্ধাৰিত লক্ষ্যৰ দিশত চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ প্ৰতিফলন দেখিবলৈ পোৱা যাব বুলি

মুখ্যমন্ত্ৰীগৰাকীয়ে অৱগত কৰে। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহৰ লগতে জনহিতকাৰী আঁচনি কেইখন বাহাল ৰখাত গুৰুত্ব আৰোপ কৰে।

০০০০০০

কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেফুলৈ নিৰ্মাণ কৰিবলগীয়া ৰে'ল পথৰ চূড়ান্ত জৰিপৰ কাম সম্পূৰ্ণ হৈছে আৰু ইয়াৰ বিষদ প্ৰকল্প প্ৰতিবেদন দাখিল কৰা হৈছে। এতিয়া নিবিদা প্ৰক্ৰিয়াৰ জৰিয়তে ৰে'ল পথছোৱা নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব। উত্তৰ-পূব সীমান্ত ৰে'লৱেই কালি এটা বিবৃতি যোগে এই কথা প্ৰকাশ কৰে। ৰে'ল বিভাগে প্ৰকাশ কৰা মতে ৬৯ দশমিক ০-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ৰে'ল পথছোৱাৰ নিৰ্মাণ কাৰ্যত প্ৰায় তিনি হাজাৰ ৫০০ কোটি টকা ব্যয় হ'ব। ৰে'ল পথছোৱাত কোকৰাঝাৰৰ বাহিৰে বালাজান, গৰুভাষা, ৰুণিখাটা, শান্তিপুৰ, দাদগিৰি আৰু গেলেফু ষ্টেচন থাকিব। ইয়াৰ উপৰি এই পথছোৱাত দুখন গুৰুত্বপূৰ্ণ, ২৯ খন বৃহৎ আৰু ৬৫ খন সৰু দলং থাকিব। প্ৰস্তাৱিত ৰেলপথটোৱে বিটিআৰৰ অৰ্থনীতি আৰু ৰেল সংযোগ ব্যৱস্থাৰ ৰূপান্তৰ ঘটাব আৰু ইয়াৰ ফলত অঞ্চলটোৰ দীৰ্ঘম্যাদি বিকাশৰ পথ প্ৰশস্ত হ'ব।

কেন্দ্ৰীয় চৰকাৰৰ এক্ট ইষ্ট নীতিৰ অধীনত কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেফুলৈ সংযোগ কৰা ভাৰত-ভূটান সংযোগী ৰে'লপথ নিৰ্মাণৰ কাম গ্ৰহণ কৰা হৈছে। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে যোৱা ২৫ ফেব্ৰুৱাৰীত বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত এই ৰে'লপথৰ কথা ঘোষণা কৰিছিল।

০০০০০০

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আজি আৰম্ভ হৈছে। কেন্দ্ৰীয় হিলাল সমিতিৰ তথ্য অনুসৰি আজি প্ৰথম দিনটোত গুৱাহাটীৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ৩০ মিনিট, ইফতাৰৰ সময় আবেলি ৫ বাজি ২৫ মিনিট, মৰিগাঁও আৰু জাগীৰোডৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৭ মিনিট, ইফতাৰৰ সময় আবেলি ৫ বাজি ২২ মিনিট, নগাঁও আৰু তেজপুৰৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৬ মিনিট আৰু ইফতাৰৰ সময় আবেলি ৫ বাজি ২১ মিনিট ধাৰ্য কৰা হয়। এই বেলি ধাৰ্য কৰা ফিতৰাৰ পৰিমাণ হ'ল এহেজাৰ ৬৩৩ গ্ৰাম ঘেঁহু বা তাৰ মূল্য। গোৱালপাৰা জিলাতো ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। ফল-মূল, ছেৱৈ, খেজুৰ, মিঠাই আদি সুস্বাদু খাদ্যৰে জিলাখনৰ হাট-বজাৰসমূহ ভৰি পৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ ৰমজান মাহ উপলক্ষে দেশৰ ইছলাম ধৰ্মাৱলম্বী লোকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

## ৰাইট (পি এম)

কালি সন্ধিয়া ইছলাম ধৰ্মাৱলম্বী লোকসকলে তাৰাবিহ নামাজ কৰে। উল্লেখযোগ্য যে ৰমজান হ'ল আত্মশুদ্ধিৰ মাহ আৰু ইয়াৰ জৰিয়তে বিশ্ব শান্তি কামনা কৰা হয়। ৰমজান মাহ শেষ হোৱাৰ পাছতে পৱিত্ৰ ঈদ-উল-ফিতৰ উদযাপন কৰা হ'ব।

০০০০০০

এডভাণ্টেজ আছামৰ অংশ হিচাপে গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত প্ৰদৰ্শনীখনৰ কালি সামৰণি পৰে। সন্মিলনৰ সামৰণিৰ পাছত ৰাইজৰ বাবে মুকলি কৰি দিয়া এই প্ৰদৰ্শনীত দেশৰ কেইবাটাও আগশাৰীৰ উদ্যোগ প্ৰতিষ্ঠানৰ লগতে ৰাজ্যৰ থলুৱা ষ্টাৰ্টআপ আৰু উদ্যোগ

প্ৰতিষ্ঠানসমূহৰ উৎপাদিত সামগ্ৰী আৰু কৌশলসমূহ প্ৰদৰ্শন কৰা হয়। তদুপৰি থলুৱা উদ্যোগসমূহে কিদৰে উদ্ভাৱনী চিন্তা-চৰ্চাৰে আগবাঢ়িব পাৰে এই বিষয়েও প্ৰদৰ্শনীখনত বিভিন্ন প্ৰতিষ্ঠানৰ দক্ষ ব্যক্তিসকলে ৰাইজক অৱগত কৰে। প্ৰদৰ্শনীখনৰ **প্ৰাইড অৱ আছাম** শীৰ্ষক অংশত অসমৰ সংস্কৃতি আৰু উৎপাদিত সামগ্ৰী প্ৰদৰ্শনৰ লগতে বিশেষকৈ ক্ষুদ্ৰ উদ্যোগসমূহত উৎপাদিত সামগ্ৰীয়ে স্থান লাভ কৰে। আনটো অংশত ছেমি কণ্ডাক্টৰ প্ৰকল্প, বৈদ্যুতিন, ইথানলকে ধৰি কেইবাটাও দিশ সামৰি লোৱা হয়। যোৱা ২৭ ফেব্ৰুৱাৰীত এই প্ৰদৰ্শনী ৰাইজৰ বাবে মুকলি কৰি দিয়া হৈছিল।

oooooo

আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানসমূহে আৰম্ভণিৰে পৰা অগণন শ্ৰোতাৰ চিন্তা আৰু ৰুচিক খোৰাক যোগাই আহিছে। স্বকীয় ধাৰা বজাই ৰাখি অথচ পৰিৱৰ্তিত সময়ৰ প্ৰয়োজনৰ সৈতে ৰজিতা খুৱাই কিছু নতুনত্বৰ সংযোজনেৰে আকাশবাণী শ্ৰোতাৰ বাবে সদায় প্ৰাসংগিক হৈ থাকিব। কালি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত টেলিভিশ্বন চেনেল প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াই এইদৰে মনৰ ভাৱ প্ৰকাশ কৰে।

*(বাইট ঃ নিতুমণি শইকীয়া)*

তেওঁ কয়, যে তেওঁৰ দৰেই অসমৰ বহু ব্যক্তিৰ শৈশৱৰ পৰা জীৱনৰ বিভিন্ন স্তৰলৈ আকাশবাণীয়ে শক্তিশালী প্ৰভাৱ বিস্তাৰ কৰি আহিছে। আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানে ভাষা, উচ্চাৰণৰ শুদ্ধতাৰ লগতে ৰাজ্যখনৰ সাহিত্য, সংস্কৃতি আৰু ঐতিহ্যৰ চেতনা শ্ৰদ্ধাৰে বহন কৰিবলৈ প্ৰেৰণা যোগায় বুলিও তেওঁ উল্লেখ কৰে। এই অনুষ্ঠানটোৰ প্ৰযোজনা, পৰিকল্পনা আৰু সাক্ষাৎ গ্ৰহণ কৰিলে ৰাজীৱ লোচন বৰঠাকুৰে।

oooooo

আমেৰিকাৰ AVIATION AT CORGAN IN CORPORTION-ত প্ৰকল্প বিশেষজ্ঞ হিচাপে কৰ্মৰত অসমৰ জীয়ৰী আয়ুস্মিতা ডেকাক কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ বাসভৱনলৈ আমন্ত্ৰণ কৰি মত বিনিময় কৰে। আমেৰিকাৰ ইলিনয় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰীধাৰী আয়ুস্মিতা ডেকাৰ সৈতে প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশখনৰ বিমান বন্দৰৰ লগত জড়িত বিভিন্ন প্ৰকল্পৰ বিষয়ে আলোচনা কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে বিমান বন্দৰৰ নিৰ্মাণ, আমেৰিকাত থকা ভাৰতীয়ৰ সমস্যাৰ বিষয়েও ডেকাৰ সৈতে আলোচনা কৰে। উল্লেখযোগ্য যে স্থপতিবিদ আয়ুস্মিতা ডেকা আমেৰিকাৰ হিউষ্টন বিমান বন্দৰ, ইউ এছ ভাৰ্জিন আইছলেণ্ড বিমান বন্দৰ প্ৰকল্পৰ সৈতে জড়িত হৈ আছে।

oooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিশিষ্ট বাঁহীবাদক, লোকসংগীতৰ সাধক প্ৰভাত শৰ্মাৰ চতুৰ্থ মৃত্যু বাৰ্ষিকী পালন কৰা হৈছে। ২০২১ চনৰ ২ মাৰ্চত ৰাজ্য চৰকাৰৰ তথ্য আৰু সংযোগ বিভাগৰ প্ৰাক্তন ষ্টাফ আৰ্টিষ্ট প্ৰভাত শৰ্মাৰ মৃত্যু হৈছিল। ১৯৭৩ চনত তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰত যোগদান কৰি ১৯৯৮ চনত অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ ব্লেকমানি, সন্তান, সন্ধ্যাৰাগ, সাৰথি, আপোনজন, অনল, কদম তলে কৃষ্ণ নাচে, শ্ৰীমন্ত শংকৰদেৱ আদি ছবিৰ সংগীত পৰিচালনা কৰিছিল। ইয়াৰ উপৰি প্ৰয়াত শৰ্মাই দূৰদৰ্শন কেন্দ্ৰ গুৱাহাটীৰ পথৰুঘাটে ৰিঙিয়ায় আৰু বৃকোদৰ বৰুৱাৰ বিয়া ধাৰাবাহিকৰ সংগীত পৰিচালনা কৰিছিল। শিল্পীগৰাকীয়ে অসমীয়া লোকসংগীতৰ

ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে ২০০৪ চনত সংগীত নাটক একাডেমী বঁটা লাভ কৰিছিল। ৰাজ্য চৰকাৰে তেওঁক ২০০১ চনত শিল্পী দিৱস বঁটাৰে সন্মানিত কৰিছিল।

০০০০০০

হোৱাইট হাউচত ড'নাল্ড ট্ৰাম আৰু জেলেনস্কিৰ তৰ্কযুদ্ধ, সোণাপুৰত বিৰোধী ৰাজনৈতিক দলবোৰৰ বৈঠক ব্যৰ্থ, কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পত্নীৰ পাকিস্তান সংযোগ সন্দৰ্ভত তদন্ত কৰিবলৈ দিল্লীত অসম আৰক্ষী দল আদি বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহে প্ৰথম পৃষ্ঠাত স্থান দিছে।

জলজীৱন মিছনৰ অধীনত সম্পূৰ্ণ হোৱা আঁচনিৰ কাৰিকৰী বিসংগতিৰ বাবে চলিত বৰ্ষৰ ফেব্ৰুৱাৰী পৰ্যন্ত ৰাজ্যত প্ৰায় ১৯ লাখ পৰিয়ালে পানী পোৱা নাই বুলি এটা বাতৰি দৈনিক অসম কাকতে ৰাজ্যত জলজীৱন মিছন ব্যৰ্থ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্যৰ সমাগত পঞ্চায়ত নিৰ্বাচন আৰু ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বিষয়ে আলোচনা কৰাৰ বাবে কালি বাজপেয়ী ভৱনত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ সভাপতিত্বত বৈঠক অনুষ্ঠিত কৰাৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে **ব্যক্তিগত স্বাৰ্থ পৰিহাৰ কৰি সকলো নেতা-কৰ্মীয়ে ঐক্যবদ্ধভাৱে কাম কৰক** শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

প্ৰাগ চিনে অৱাৰ্ডৰ বাতৰি দৈনিক জনমভূমি কাকতে ৯ মাৰ্চত সৰুসজাই ষ্টেডিয়ামত বিশাল অনুষ্ঠান ঃ ৪২ টা শিতানত বঁটা প্ৰদানৰ আয়োজন, ৰীণা বৰালৈ জীৱনজোৰা সাধনা বঁটা শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

দূৰ শিক্ষাৰ মাধ্যমেৰে বিএড ডিগ্ৰী লৈ ৰাজ্যৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত চাকৰি কৰি থকা শিক্ষকৰ সবিশেষ তথ্য অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখা চি আই ডিয়ে বিচৰাৰ বাতৰি আমাৰ অসম কাকতে ভুৱা বিএড ডিগ্ৰীধাৰী শিক্ষকৰ সন্ধান চি আই ডি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

গৃহ মন্ত্ৰী অমিত শ্বাহে মণিপুৰৰ সকলো ৰাজপথত অহা ৮ মাৰ্চৰ পৰা সকলো ধৰণৰ যান-বাহনৰ চলাচল স্বাভাৱিক কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়াৰ বাতৰি মণিপুৰত যান-বাহনৰ চলাচল সন্দৰ্ভত কঠোৰ নিৰ্দেশ কেন্দ্ৰৰ শিৰোনামেৰে অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে। বাতৰিটোক দ্যা ছেণ্টিনেল কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

ভাৰতীয় ৰে'লৱে এক্ট ইষ্ট পলিচি নেইবাৰহুড ফাষ্ট পলিচি বাস্তবায়িত কৰাৰ লক্ষ্যৰে কেইবাটাও নতুন প্ৰকল্প গ্ৰহণ কৰাৰ বাতৰিক নিয়মীয়া বাৰ্তা কাকতে তিনি হাজাৰ ৫০০ কোটিৰে হ'ব অসম-ভূটান সংযোগী ৬৯ দশমিক ০-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটোক দি আছাম ট্ৰিবিউন কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

ইউ এছ টি এমৰ মহবুবুল হক আৰু ৫ গৰাকী শিক্ষকক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আহক, এতিয়া পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি প্ৰখ্যাত এথলিট পি টি উষা আজি ডিব্ৰুগড়লৈ আহিব। ডিব্ৰুগড় জিলা সন্থাৰ উদ্যোগত আউটডʼৰ ষ্টেডিয়ামত দৌৰবিদ পি টি উষাক সম্বৰ্ধনা জ্ঞাপন কৰা হʼব। এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। পি টি উষাই কাইলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৫৬ সংখ্যক বিশ্ববিদ্যালয় সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০

৭০ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ খেলসমূহ আজি আৰম্ভ হʼব।এন এফ ৰেʼলৱে আৰু বাৰেকুৰি ফুটবল ক্লাবৰ খেলেৰে এই ৰাউণ্ড আৰম্ভ হʼব। গুৱাহাটী ক্ৰীড়া সংস্থাই ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ তথা বিভিন্ন জিলা ক্ৰীড়া সংস্থাসমূহৰ সহযোগিতাত আয়োজন কৰা এই প্ৰতিযোগিতাত ১৭ টা দলে অংশগ্ৰহণ কৰিব। লোকপ্ৰিয় বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ছটা ক্লাষ্টাৰ ৰাউণ্ডৰ বিজয়ী আৰু বিজিত দলসমূহৰ লগতে গুৱাহাটী প্ৰিমিয়াৰ ফুটবল লীগৰ ছেম্পিয়ন উত্তৰ পূৱ সীমান্ত ৰেলৱে ক্ৰীড়া সন্থা আৰু বিজিত দল ইষ্ট মেভেৰিক্সে এই ৰাউণ্ডত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইয়াৰ উপৰি নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাৱ, শ্বিলং লাজং ফুটবল ক্লাৱ, অইল ইণ্ডিয়া লিমিটেড ফুটবল ক্লাৱে আমন্ত্ৰিত দল হিচাপে প্ৰতিযোগিতাত ভাগ লʼব। এই প্ৰতিযোগিতাৰ বিজয়ী দলে ১০ লাখ, বিজীত দলে ৫ লাখ আৰু চেমিফাইনেলত পৰাজিত দল দুটাই আঢ়ৈ লাখ টকাকৈ লাভ কৰিব।

০০০০০০

ভাৰত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হʼবলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হʼব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হʼব। দুয়োটা দলে ইতিমধ্যে গ্ৰুপ এৰ পৰা ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে গ্ৰুপ এৰ পইণ্ট তালিকাত শীৰ্ষ স্থান লাভ কৰিব আৰু মঙলবাৰে ছেমিফাইনেলত অষ্ট্ৰেলিয়াৰ সন্মুখীন হʼব। পৰাজিত দলটো বুধবাৰে ছেমিফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হʼব।

দক্ষিণ আফ্ৰিকাই যোৱা নিশা কৰাচীত অনুষ্ঠিত গ্ৰুপ বিৰ লীগ পৰ্যাৰ অন্তিমখন খেলত ইংলেণ্ডক ৭ উইকেটত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। এই জয়ৰ সুবাদত দক্ষিণ আফ্ৰিকাই অকল ফাইনেলত প্ৰৱেশ কৰাই নহয়, বৰং গ্ৰুপ বিৰ পইণ্ট তালিকাতো শীৰ্ষ স্থান দখল কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আৰম্ভণিৰে পৰাই সংঘৰ্ষ কৰিবলগীয়া হয়। খেলখনৰ প্ৰথম অভাৰৰ অন্তিমটো বলত অপেনাৰ ফিলিপ ছল্ট আউট হয় আৰু ইয়াৰ পাছৰে পৰা দলটোৱে নিয়মীয়া ব্যৱধানত উইকেট হেৰুৱালৈ লয়। ইংলেণ্ডৰ হে জʼ ৰুটে সৰ্বাধিক ৩৭ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ মাৰ্কো জেনছেন আৰু ৱিয়ান মাল্ডাৰে তিনিটাকৈ উইকেট দখল কৰে। ইংলেণ্ডে ৩৮ অভাৰ আৰু ২ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৭৯ ৰান কৰে।

প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ২৯ অভাৰ আৰু এটা বলত ৩ টা উইকেটৰ বিনিময়ত ১৮১ ৰান কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ ত্ৰিমুৰ্তি ভৱনত **দেশৰ কথা দেশৰ গান** শীৰ্ষক এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত চাইবাৰ অপৰাধ সম্পৰ্কত বক্তৃতা প্ৰদান কৰিব উপ-আৰক্ষী অধীক্ষক পিংকি দাসে। ইয়াৰ পাছতেই জ্যেষ্ঠ সংগীত শিল্পী জে পি দাস আৰু দুৰ্গাময়ী বৰাই

গীত পৰিবেশন কৰিব। সন্ধিয়া ৬ বাজি ৫ মিনিটৰ পৰা নিশা ৮ বজালৈ এই অনুষ্ঠান কেন্দ্ৰৰ মহাবাহু শাখা আৰু ইয়াৰ ফে'চবুক পেজত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ মাজতে ৬ বাজি ৪৫ মিনিটত সন্ধিয়াৰ আঞ্চলিক বাতৰি আৰু ৭ বাজি ১০ মিনিটৰ বাতৰি প্ৰচাৰিত হ'ব। আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকাৰ প্ৰচাৰ অৱশ্যে বন্ধ থাকিব।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশৰ লগতে অসমৰ বিভিন্ন ঠাইত মধ্যমীয়া বৰষুণ হোৱাৰ আগলি বতৰা দিছে। আনহাতে মেঘালয়, মিজোৰাম আৰু মণিপুৰত ঠাই বিশেষে পাতলীয়া বৰষুণৰ পৰাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত